**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-09-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***
***:::: :::: :::: ::::***

১। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত প্ৰৱেশৰ পূৰ্বে চলোৱা তালাচীৰ বিষয়ত এগৰাকী ছাত্ৰীয়ে উত্থাপন কৰা অভিযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অসম আৰক্ষীক তদন্তৰ নিৰ্দেশ।

২। অসমে ২০৩০ চনৰ ভিতৰত সেউজ শক্তিৰ জৰিয়তে ৩ হেজাৰ মেগাৱাটতকৈও অধিক শক্তি উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰা বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৩। ৰাজ্যৰ মহাবিদ্যালয়সমূহত স্নাতক পাঠ্যক্ৰমত দক্ষতা বিকাশৰ শিক্ষা অন্তৰ্ভুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ প্ৰকাশ।

৪। সমগ্ৰ দেশজুৰি কাইলৈৰ পৰা স্বচ্ছতাই সেৱা অভিযান ২০২৪ আৰম্ভ। দেশজুৰি জনসাধাৰণৰ বাবে স্বচ্ছতাৰ বাবে বিভিন্ন কাৰ্যসূচী আয়োজন। ***আৰু***

৫। চীনৰ হুলুনবুইৰত চলি থকা ২০২৪ বৰ্ষৰ এছিয়ান হকী চেম্পিয়নছ্ ট্ৰফীত ভাৰতীয় দলৰ ফাইনেলত প্ৰৱেশ। কাইলৈ হবলগীয়া ফাইনেলত ভাৰত-চীনৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি অনুষ্ঠিত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত নলবাৰীৰ এগৰাকী ছাত্ৰীয়ে পৰীক্ষাগৃহত প্ৰৱেশৰ পূৰ্বে চলোৱা তালাচী সন্দৰ্ভত উত্থাপন কৰা অভিযোগ সম্পৰ্কে অসম আৰক্ষীক তদন্তৰ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই পৰীক্ষা স্বচ্ছ আৰু নিকাকৈ অনুষ্ঠিত কৰাটোৱেই চৰকাৰৰ লক্ষ্য যদিও কোনো লোকৰে মৰ্যাদা আৰু সন্মানকলৈ আপোচ কৰা নহ'ব। বিষয়টো চিন্তনীয় হোৱা হেতুকে অসম আৰক্ষীৰ সঞ্চালক প্ৰধানৰ সৈতে আলোচনা কৰি ঘটনাৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে, নৱ-প্ৰজন্মৰ কল্যাণৰ হকে এই পৰীক্ষা নিকা ৰূপত আৰু স্বচ্ছতাৰে আয়োজন কৰাৰ ক্ষেত্ৰত কোনোধৰণৰ অনিয়মক প্ৰশ্ৰয় দিয়া নহ'ব। একে সময়তে মহিলা প্ৰাৰ্থীৰ শালীনতা, মৰ্যাদা ৰক্ষা নিশ্চিত কৰাটোও চৰকাৰৰ অন্যতম লক্ষ্য বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। মহিলাৰ সৈতে জড়িত তালাচী চলোৱা সন্দৰ্ভত আদালতে দিয়া প্ৰাসংগিক ৰায় আৰু মহিলা আয়োগৰ নিৰ্দেশনা অনুসৰি পৰৱৰ্তী পৰীক্ষাৰ পূৰ্বে এটা মানসন্মত বিধি প্ৰস্তুত কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইপিনে, উত্তৰ লখিমপুৰত পৰীক্ষাৰ পূৰ্বে চলোৱা তালাচীৰ সময়ত এগৰাকী পৰীক্ষাৰ্থীৰ অন্তৰ্বাসৰ ভিতৰৰ পৰা নকলৰ সামগ্ৰী উদ্ধাৰ কৰা বুলিও জানিব পৰা গৈছে।

আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙে মুখ্যমন্ত্ৰীৰ এই নিৰ্দেশ সন্দৰ্ভত ইতিমধ্যে তদন্তৰ ঘোষণা কৰা হৈছে বুলি প্ৰকাশ কৰাৰ লগতে তালাচী সন্দৰ্ভত পৰৱৰ্তী পৰীক্ষাৰ পূৰ্বে নীতি-নিৰ্দেশনা জাৰি কৰা হ'ব বুলিও জানিবলৈ দিছে।

০০০০

অসমে ২০৩০ চনৰ ভিতৰত সেউজ শক্তিৰ জৰিয়তে ৩ হেজাৰ মেগাৱাটতকৈও অধিক শক্তি উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে সেউজ ভৱিষ্যতৰ দিশত ৰাজ্যৰ অৱদানে ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰাৰ কথা প্ৰকাশ কৰি কয় যে, অজীৱাশ্ম শক্তিৰ উৎস ব্যৱহাৰৰ জৰিয়তে দেশৰ নেট জিৰো লক্ষ্যক আগুৱাই নিয়াৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ভিতৰত শ্ৰেষ্ঠ সন্মান লাভ কৰিছে। উল্লেখযোগ্য যে, ভাৰতে ২০৩০ চনৰ ভিতৰত অজীৱাশ্ম উৎসৰ পৰা আহৰণ কৰা শক্তিৰে বিদ্যুৎ শক্তি সামৰ্থ্য ৫০০ গিগাৱাটলৈ বৃদ্ধিৰ লক্ষ্য লৈছে আৰু ইয়াৰ বাবে ১০০ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগত অনুমোদন জনাইছে। কেন্দ্ৰীয় নতুন আৰু নবীকৰণযোগ্য শক্তি দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে বিশ্ব সৰ্ববৃহৎ গণতন্ত্ৰ আৰু দ্ৰুত বিকশিত ৰাষ্ট্ৰ হিচাপে ভাৰতৰ নবীকৰণযোগ্য শক্তি আহৰণৰ যাত্ৰাই অন্য উন্নয়নশীল অৰ্থনীতিৰ ৰাষ্ট্ৰসমূহক বহনক্ষমতা আহৰণৰ পথত অগ্ৰসৰ হ'বলৈ উৎসাহিত কৰিব। ভাৰতে ২০৭০ চনৰ ভিতৰত শূণ্য কাৰ্বন নিগমনৰ লক্ষ্যত উপনীত হোৱাৰ বাবে কাম কৰি আছে বুলিও

তেওঁ উল্লেখ কৰে। তেওঁ কয় যে শক্তিশালী নীতি নিৰ্ধাৰণ আৰু আন্তঃৰাষ্ট্ৰীয় অংশীদাৰিত্বৰ ফলত দেশৰ নবীকৰণযোগ্য শক্তি আহৰণৰ যাত্ৰা সূচল হৈ উঠিছে। উদাহৰণস্বৰূপে মন্ত্ৰীগৰাকীয়ে ভাৰত আৰু ফ্ৰান্সে অংশীদাৰিত্বৰে লোৱা আন্তঃৰাষ্ট্ৰীয় সৌৰ সহযোগিতাৰ পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে ২০১৫ চনৰ পেৰিচ জলবায়ু পৰিৱৰ্তন শীৰ্ষ সন্মিলনত গ্ৰহণ কৰা সেউজ পৃথিৱী গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰা সংকল্প পূৰণৰ দিশে পদক্ষেপ লোৱা ভাৰতেই একমাত্ৰ ৰাষ্ট্ৰ বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা মাহত উল্লেখ কৰিছিল।

০০০০

ৰাজ্যৰ মহাবিদ্যালয় সমূহৰ স্নাতক পাঠ্যক্ৰমত দক্ষতা বিকাশৰ শিক্ষা অন্তৰ্ভুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰে। কোকৰাঝাৰ বালিকা মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত আজি মুখ্য অতিথি হিচাপে উপস্থিত থাকি দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, চলিত শিক্ষা বৰ্ষৰ পৰা ৰাজ্যৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত সকলো ধৰণৰ দক্ষতা বিকাশৰ পাঠ্যক্ৰম প্ৰৱৰ্তনৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে নিজৰ দক্ষতা বিকাশ কৰি জীৱন কৌশল আয়ত্ব কৰিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নীত কৰাৰ বাবে ভৈয়াম জনজাতি কল্যাণ বিভাগৰ অধীনত পুঁজি আৱণ্টন দিয়া হ'ব বুলি উল্লেখ কৰে।

***ঃঃ ভইছ ঃঃ***

মন্ত্ৰীগৰাকীয়ে পাছত কোকৰাঝাৰৰ বিনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয় পৰিদৰ্শন কৰে। তেওঁ বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ উপস্থিতিত শিক্ষা বিভাগৰ বিষয়ববীয়াৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়।

০০০০

অষ্টম ভাৰত জল সপ্তাহ, ২০২৪ কাইলৈৰে পৰা নতুন দিল্লীত অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰত মণ্ডপমত এই কাৰ্যসূচী উদ্বোধন কৰিব। চাৰিদিনীয়া এই কাৰ্যসূচীত ২০০ গৰাকী বিদেশী প্ৰতিনিধিসহ ৪০ খন দেশৰ প্ৰায় ৪ হাজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। প্ৰদৰ্শনীৰ সময়ছোৱাত ১০০ কৈও অধিক প্ৰদৰ্শক আৰু ষ্টাৰ্টআপে জল ক্ষেত্ৰত নিজ নিজ কামকাজ প্ৰদৰ্শন কৰিব। নতুন দিল্লীত অনুষ্ঠিত সংবাদমেলত জলশক্তি মন্ত্ৰালয়ৰ সচিব দেৱশ্ৰী মুখাৰ্জীয়ে কয় যে উপযুক্ত জল ব্যৱস্থাপনাই দেশৰ আৰ্থিক বৃদ্ধি ত্বৰান্বিত কৰিব। তেওঁ কয় যে এই অনুষ্ঠানে বিশ্বৰ বিভিন্ন প্ৰান্তৰ জলসম্পদৰ ক্ষেত্ৰত গোলকীয় পৰ্যায়ৰ নীতি নিৰ্ধাৰণকাৰী গৱেষক, বিশেষজ্ঞ, উদ্ভাৱক আৰু অংশীদাৰসকলৰ পৰা তেওঁলোকৰ ভাৱধাৰা আৰু মতামত আহৰণৰ বাবে ই এক গোলকীয় মঞ্চ হিচাপে কাম কৰিব। শ্ৰীমতী মুখাৰ্জীয়ে এই অনুষ্ঠানৰ বিষয়বস্তু - 'সৰ্বাংগীন জল উন্নয়ন আৰু ব্যৱস্থাপনাৰ হকে অংশীদাৰিত্ব আৰু সহযোগিতা' বুলি জানিবলৈ দিয়ে।

০০০০

দক্ষিণ শালমাৰা, মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী মিৰ্জুমলাত আৰক্ষীয়ে চলোৱা তালাচীৰ সময়ত তিনি গৰাকী মহিলাসহ পাঁচজন বাংলাদেশী নাগৰিকক আটক কৰা হয়। মানকাচৰ আৰক্ষীয়ে যোৱা নিশা মানকাচৰত প্ৰৱেশ কৰাৰ সময়ত এখন বাহন ৰখাই সোধাপোছা কৰাৰ সময়তে বাংলাদেশী লোককেইজন ধৰা পৰে। এই লোক কেইজনে চুবুৰীয়া ৰাজ্য মেঘালয়ৰ গালু আন্তঃৰাষ্ট্ৰীয় সীমান্তৰে ভাৰতত প্ৰৱেশ কৰিছিল বুলি লোক কেইজনে আৰক্ষীৰ ওচৰত স্বীকাৰ কৰে। সম্প্ৰতি দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ আৰক্ষী অধীক্ষকে মানকাচৰ থানাত লোক কেইজনৰ জেৰা অব্যাহত ৰাখিছে। লোক কেইজনক সীমান্ত সুৰক্ষা বাহিনীৰ সহযোগত বাংলাদেশলৈ ওভতাই পঠিওৱা হ'ব বুলি জানিব পৰা গৈছে।

০০০০

মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰালয়ৰ অধীনৰ মীন বিভাগে জলজ কৃষি পদ্ধতিৰ বিকাশৰ লগতে সমগ্ৰ দেশতে সংহত মীন পালন ব্যৱস্থাৰ প্ৰসাৰৰ বাবে ১০০ দিনীয়া পৰিকল্পনা যুগুত কৰিছে। আজি মন্ত্ৰালয়ে জাৰি কৰা এখন বিবৃতিত এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনাৰ অধীনত মীন খণ্ডক শক্তিশালী কৰাৰ লগতে বহনক্ষম উন্নয়নক ত্বৰান্বিত কৰাৰ বাবে কৌশল যুগুতাই উলিওৱা হৈছে। এই যোজনাৰ চতুৰ্থ বৰ্ষপূৰ্তিৰ সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰামৰ উপৰি দেশৰ কেবাখনো ৰাজ্যত জলজ কৃষি আৰু সংহত মীন পালনক উৎসাহিত কৰাৰ বাবে ৪২ কোটি ৪৩ লাখ

টকাৰ অনুমোদন জোনাৱা হৈছে। ইয়াৰ ভিতৰত পাঁচ কোটি ৫০ লাখ টকা উত্তৰ-পূবৰ এই চাৰিখন ৰাজ্যৰ বাবে ব্যয় কৰা হ'ব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

oooo

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে আজি অসমতো পয়গম্বৰ মহম্মদৰ জন্মদিনটো মিলাদ-উন-নবী হিচাপে পালন কৰা হয়। এই উপলক্ষে পয়গম্বৰ মহম্মদৰ জীৱন তথা আদৰ্শৰ ওপৰত আলোকপাত কৰি মিলাদ তথা ছিৰাট সন্মিলনৰ আয়োজন কৰা হয়।

হাইলাকন্দি জিলাত আজি আয়োজিত মিলাদ-উন-নবীৰ অনুষ্ঠানত বহু লোকে অংশগ্ৰহণ কৰে। বিশ্ব নবী হিচাপে পৰিগণিত হৰজৰত মহম্মদৰ জন্মদিন উপলক্ষে পালন কৰা এই উৎসৱ উপলক্ষে আজি হাইলাকান্দি চহৰৰ মাজেৰে শান্তি সমদল উলিওৱা হয়। কৰিমগঞ্জ জিলাৰ বদৰপুৰত আজি এই উপলক্ষে শান্তি শোভাযাত্ৰা উলিওৱা হয়।

ইপিনে, কোকৰাঝাৰ জিলাৰ ফকীৰাগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি মিলাদ-উন-নবী উদযাপন কৰা হয়। এই উপলক্ষে কোৰাণ পাঠৰ লগতে গজল, জিকিৰ-জাৰি আৰু হজৰত মহম্মদৰ জীৱনী লিখা প্ৰতিযোগিতা অনুষ্ঠিত হয়।

oooo

কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্ব খনিকৰ শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈ গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই পূজাৰ বাবে ব্যাপক আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ বজাৰসমূহত আজি পূজাৰ বাবে প্ৰয়োজনীয় বিভিন্ন সম্ভাৰেৰে ভৰি পৰিছে। আনহাতে বিশ্বকৰ্মাৰ মৃণ্ময় মূৰ্তি ক্ৰয় কৰিবলৈ মৃৎশিল্পীসকলৰ ওচৰত অগণন লোকে ভিৰ কৰা দেখা গৈছে। ৰাজ্যৰ অন্যান্য জিলাৰ লগতে চিৰাং জিলাতো এই পূজাৰ বাবে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। ইপিনে কোকৰাঝাৰ জিলাৰ বজাৰসমূহত আজি পূজাৰ প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰিবলৈ ক্ৰেতাৰ ভিৰ হোৱা পৰিলক্ষিত হয়। ইপিনে গোৱালপাৰা জিলাৰ দুধনৈৰ বিভিন্ন অঞ্চলত পূজাৰ বাবে মণ্ডপসমূহ আটকধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে।

গোলাঘাট জিলাৰ বাদুলিপাৰৰ বিভিন্ন শিল্পালয়ত আজি বিশ্বকৰ্মাৰ মৃণ্ময় মূৰ্তি ক্ৰয় কৰিবলৈ বহু লোকৰ সমাগম হয়। কাইলৈ পূজা উপলক্ষে ঠায়ে ঠায়ে নাম প্ৰসংগৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

oooo

সমগ্ৰ দেশজুৰি কাইলৈ স্বচ্ছতাই সেৱা অভিযান ২০২৪ আৰম্ভ হ'ব। **স্বভাৱ স্বচ্ছতা -সংস্কাৰ স্বচ্ছতাক** বিষয়বস্তু হিচাপে লৈ চলিবলগীয়া এই অভিযান অহা ২ অক্টোবৰত সামৰণি পৰিব। দেশৰ পৰ্যটনস্থলী, ৰাজহুৱা ভৱন, বাণিজ্যিক অঞ্চল, জলাশয়, চিৰিয়াখানা তথা ৰাজহুৱা প্ৰস্ৰাৱগাৰৰ দৰে বিভিন্ন স্থানত সমূহীয়া শ্ৰমদানেৰে এই অভিযান চলোৱা হ'ব। ৰাজ্যৰ বহু ঠাইত আজিয়েই স্বচ্ছতা কাৰ্যসূচী গ্ৰহণ কৰা হয়। উত্তৰ-পূৱ সীমান্ত ৰেলৱেই আজি শপত গ্ৰহণ কাৰ্যসূচীৰে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ মহাপ্ৰবন্ধকৰ পৰিচালনাত বিভাগৰ জ্যেষ্ঠ বিষয়া, কৰ্মচাৰী, বিভিন্ন সংস্থা আৰু একতা সভাৰ প্ৰতিনিধিৰ উপস্থিতিত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। ৰেল বিভাগৰ কৰ্মচাৰী আৰু যাত্ৰীসকলৰ মাজত অনাময়ৰ গুৰুত্ব সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ সকলো মণ্ডলতে এই কাৰ্যসূচী অনুষ্ঠিত হয়। এই অভিযানত চাফাই মিত্ৰ, অনাময় কৰ্মী আৰু আন আন অংশীদাৰসকলক স্বীকৃতি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

ইপিনে, ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰৰ সকলো মন্ত্ৰালয়ে দেশজুৰি জনসাধাৰণৰ বাবে স্বচ্ছতাৰ বাবে বিভিন্ন কাৰ্যসূচী আয়োজনৰ পৰিকল্পনা কৰিছে। সমাজৰ ভিন্ন দৃষ্টিভংগীৰ আধাৰত তিনিটা মুখ্য দিশক সামৰি চলিত বৰ্ষৰ অভিযান আয়োজন কৰা হৈছে। এই দিশসমূহ হৈছে- স্বচ্ছতা বিশেষ গোটসমূহৰ বাবে শ্ৰমদান কাৰ্যসূচী, স্বচ্ছতাত জনসাধাৰণৰ অংশগ্ৰহণ আৰু ছাফাই মিত্ৰ সুৰক্ষা শিবিৰ। এই অভিযানত দেশজুৰি নাগৰিক সকলকে ধৰি বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান, বেচৰকাৰী সংস্থা, উন্নয়নমূলক সংস্থা, স্থানীয় নগৰীয়া গোটসমূহ, পঞ্চায়ত তথা বিভিন্ন অংশীদাৰীয়ে অংশগ্ৰহণ কৰিব। সমগ্ৰ চৰকাৰ দৃষ্টিভংগীৰ অধীনত সকলো ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল, মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰালয় তথা স্থানীয় গোটসমূহে দেশজুৰি এই অভিযান সফল কৰিবলৈ স্বচ্ছতা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে।

oooo

বিধানসভা সমষ্টি ভিত্তিত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত মন্ত্ৰী অতুল বৰাই আজি গোলাঘাট জিলাৰ বোকাখাটত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। নাৰী সৱলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰহণ কৰা এই অভিলাসী আঁচনিখন মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অহা ১৯ চেপ্তেম্বৰত গুৱাহাটীৰ পৰা কেন্দ্ৰীয়ভাৱে মুকলি কৰিব। মন্ত্ৰী শ্ৰীবৰাই বোকাখাটত অনুষ্ঠানটিত অংশগ্ৰহণ কৰিবলগীয়া ৰাইজৰ সা-সুবিধাৰ যাৱতীয় ব্যৱস্থা কৰিবৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। পৰ্যালোচনা বৈঠকত জিলাখনৰ অতিৰিক্ত আয়ুক্তসকলকে ধৰি প্ৰশাসনীয় কেইবাজনো বিষয়া উপস্থিত থাকে।

০০০০

দেশজুৰি চলি থকা ৰাষ্ট্ৰীয় পোষণ মাহ ২০২৪ৰ লগত সংগতি ৰাখি আজি পশ্চিম গোলাঘাট সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত বোকাখাটৰ সাপজুৰিত বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। স্থানীয় অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী তথা সহায়িকাসকলৰ লগতে শিশু উন্নয়ন প্ৰকল্প বিষয়া, কৰ্মচাৰী, পৰিদৰ্শক আৰু স্থানীয় ৰাইজৰ উপস্থিতিত অনুষ্ঠিত হোৱা এই কাৰ্যসূচীত মন্ত্ৰী অতুল বৰাই অংশ গ্ৰহণ কৰে। মন্ত্ৰী শ্ৰীবৰাই অনুষ্ঠানত ভাষণ দি গৰ্ভৱতী মহিলাই লবলগীয়া সাৱধানতা আৰু সন্তানৰ লালন-পালনৰ ক্ষেত্ৰত থাকিবলগা সজাগতাত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত অঙ্গনবাড়ী কৰ্মীসকলে পুষ্টিহীনতা আৰু এনিমিয়া ৰোগ বিষয়ক এখন নাটকো মঞ্চস্থ কৰে।

০০০০

সন্তান সম্ভৱা আৰু শিশুসকলৰ পুষ্টি নিশ্চিত কৰাৰ লক্ষ্যৰে দেশৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যজুৰি পোষণ অভিযানৰ কাৰ্যসূচী অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে আজি বাক্সা জিলাৰ ৩১ নম্বৰ অঞ্চলি অংগনবাড়ী কেন্দ্ৰত কাৰ্যসূচী লোৱা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত সন্তান সম্ভৱা আৰু শিশুসকলক পুষ্টিকৰ খাদ্য প্ৰদান কৰা হয়। অনুষ্ঠানত কেইবাগৰাকীও অংগনবাড়ী কৰ্মীয়ে অংশগ্ৰহণ কৰে।

০০০০

কৰিমগঞ্জ আৰক্ষীয়ে আজি পেটেল নগৰ অঞ্চলত অভিযান চলাই চুবুৰীয়া ৰাজ্যৰ পৰা অহা এখন বাহনত ভালেসংখ্যক নিচাযুক্ত টেবলেট জব্দ কৰাৰ লগতে বুজন পৰিমাণৰ অন্য নিচাযুক্ত সামগ্ৰী জব্দ কৰে। আৰক্ষীয়ে এই সংক্ৰান্তত তিনিজন লোকক আটক কৰিছে। অভিযানকালত আৰক্ষীয়ে প্ৰায় এক লাখ ২০ হাজাৰ নিচাযুক্ত টেবলেট আৰু ৫৩৭ গ্ৰাম হেৰ'ইন জব্দ কৰা বুলি জানিব পৰা গৈছে।

০০০০

ৰাজ্যৰ বিভিন্ন স্থানত স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত আছে। ৰাজ্যৰ কেইবাটাও দল সংগঠনে আজি বিভিন্ন স্থানত থকা অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ স্থানীয় কাৰ্যালয়সমূহত প্ৰতিবাদ সাব্যস্ত কৰে। নগাঁওৰ চামগুৰি, বৈদ্যুতিক উপ সংমণ্ডলৰ কাৰ্যালয় হৈ চামগুৰি ৰাজহ চক্ৰ বিষয়া কাৰ্যালয় পৰ্যন্ত প্ৰতিবাদী সমদল উলিওৱা হয় আৰু প্ৰতিবাদকাৰীয়ে ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। চৰাইদেউ জিলাৰ সোণাৰীতো স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী হাতত লোৱা হয়।

০০০০

ৰাভা জনগোষ্ঠীয় কৃষ্টি-সংস্কৃতি প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে আজিৰে পৰা গোৱালপাৰা জিলাৰ দুধনৈত সাদিনীয়াকৈ ৰাভা লোক বাদ্য খাম আৰু ব্ৰাংছি অৰ্থাৎ বাঁহী বাদনৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ অৰ্থ সাহায্যত আৰু সাংস্কৃতিক কৰ্মী জোনালী ৰাভা আৰু সঞ্জয় ৰাভাৰ নেতৃত্বত এই কৰ্মশালা অনুষ্ঠিত হৈছে। ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই শুভাৰম্ভ কৰা কৰ্মশালাত ৩০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে।

০০০০

চীনৰ হুলুনবুইৰত চলি থকা ২০২৪ বৰ্ষৰ এছিয়ান চেম্পিয়নছ ট্ৰফীত ভাৰতীয় হকী দলটোৱে ফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত ছেমি ফাইনেলত ভাৰতে - দক্ষিণ কোৰিয়াক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ইপিনে, আনখন ছেমিফাইনেলত আজি আয়োজক দল চীনে-পাকিস্তানক ২-০ গলৰ ব্যৱধানত পৰাস্ত কৰে। কাইলৈ ভাৰতে চীনৰ বিৰুদ্ধে ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০

সমাপ্ত